**Assamese Department, Nonoi College.**
**Freshman Social/2021**

**নৗে মহাবিদ্যালয়ৰ অসমীয়া বিভাগৰ নৱাগত আদৰণি সভা**
**১৮ ডিচেম্বৰ,২০২১**

নৗে মহাবিদ্যালয়ৰ ২০২১-২০২২ শিক্ষা বৰ্ষৰ অসমীয়া বিভাগৰ নৱাগত আদৰণি সভাখন অসমীয়া সাহিত্য চ'ৰাৰ উদ্যোগত ইংৰাজী ১৮ ডিচেম্বৰ,২০২১ তাৰিখে দিনযোৰা কাৰ্যসূচীৰে উলহ-মালহৰে অনুষ্ঠিত হৈ যায়। সভাত বিশিষ্ট অতিথি ৰূপে অংশগ্ৰহণ কৰি মহাবিদ্যালয়খনৰ আভ্যন্তৰীণ গুণগত মান নিৰূপক কোষৰ সমন্বয়ক ৰাতুল শইকীয়াই কয় -"কন্দলীৰ দাঁতিকাষৰীয়া বৃহত্তৰ নৗে অঞ্চল ইতিহাসে গৰকা এটি উল্লেখযোগ্য অঞ্চল। অপ্ৰমাদী কবি মাধৱ কন্দলিৰ পৰা অভিধান প্ৰণেতা বুধীন্দ্ৰ কুমাৰ ভট্টাচাৰ্য প্ৰমুখ্যে বৰ্তমান সময়লৈকে বহু সাহিত্যিক-বুদ্ধিজীৱীয়ে স্বকীয় প্ৰতিভাৰে অঞ্চলটিৰ গৰিমা বৃদ্ধি কৰিছে ।"সেই আদৰ্শৰে আগুৱান হৈ অসমীয়া বিভাগৰ লগতে নৗে মহাবিদ্যালয়ৰ নাম উজ্বল কৰিবলৈ বিভাগটোৰ নৱাগত ছাত্ৰ-ছাত্ৰীসকলক আহ্বান জনায় । অনুষ্ঠানৰ লগত সংগতি ৰাখি প্ৰকাশ কৰা "অনুশীলন" প্ৰাচীৰ পত্ৰিকাখনি উন্মোচন কৰি মহাবিদ্যালয়ৰ ভাৰপ্ৰাপ্ত অধ্যক্ষ ৰীতা শৰ্মাই কয় - মহাবিদ্যালয় পৰ্যায়ৰ প্ৰাচীৰ পত্ৰিকাই ছাত্ৰ-ছাত্ৰীসকলৰ বৌদ্ধিক বিকাশৰ লগতে সুন্দৰ মনৰ পৰিচয় জ্ঞাপনতো গুৰুত্বপূৰ্ণ ভূমিকা গ্ৰহণ কৰে । বিভাগৰ অতিথি সহকাৰী অধ্যাপিকা নমিষা ভূঞা আৰু ভাগ্যশ্ৰী বৰাৰ তত্বাবধানত পঞ্চম আৰু তৃতীয় ষাণ্মাসিকৰ ছাত্ৰ-ছাত্ৰীসকলৰ সহযোগিতাত প্ৰকাশ হোৱা প্ৰাচীৰ পত্ৰিকাখনিৰ উন্মোচক মহোদয়াই তেওঁলোকৰ শলাগ লয়। পুৱা ১০-৩০ বজাৰ পৰা বিভাগৰ মুৰব্বী অধ্যাপিকা ৰুণু দেৱীৰ সভাপতিত্বত অনুষ্ঠিত হোৱা আদৰণি সভাত দিতিমনি শইকীয়াক বৰ্ষ শ্ৰেষ্ঠ নৱাগতৰ পুৰস্কাৰ প্ৰদান কৰে ভাৰপ্ৰাপ্ত অধ্যক্ষ ৰীতা শৰ্মাই । সভাত নৱাগত ছাত্ৰ-ছাত্ৰীসকলক সকলক একোখনকৈ আদৰণি পত্ৰ আৰু ফুলৰ পুলিৰে আনুষ্ঠানিক আদৰণি জনোৱা হয় । আদৰণি সভাৰ লগত সংগতি ৰাখি অনুষ্ঠিত কৰা সাংস্কৃতিক অনুষ্ঠানত গীত পৰিৱেশন কৰে দিতিমনি শইকীয়া, দিশা শইকীয়া, ইয়াচমিন চুলতানা আৰু কৰিস্মৃতা দাসে। নৃত্য পৰিৱেশন কৰে নিহা হাজৰিকা,কৰিস্মৃতা দাস, ডিম্পী তামুলী,চুমি ভূঞা,তানিচপ্ৰিয়া হাজৰিকা আৰু প্ৰিয়া গগৈয়ে । বিভাগৰ সহকাৰী অধ্যাপক ড০ বসন্ত বৰাই আঁত ধৰা অনুষ্ঠানটিত মহাবিদ্যালয়ৰ শিক্ষা বিভাগৰ অধ্যাপিকা যুতিকা বৰা আৰু বিভা দেবনাথ ; মনোবিজ্ঞান বিভাগৰ মুৰব্বী অধ্যাপিকা বনজ্যোতি গায়ন ; ইতিহাস বিভাগৰ মুৰব্বী অধ্যাপিকা দেৱযানী বৰা;ৰাজনীতি বিজ্ঞান বিভাগৰ মুৰব্বী অধ্যাপিকা চুলতানা চফিয়া জাহানৰ লগতে কৰ্মচাৰীসকল আৰু ছাত্ৰ-ছাত্ৰীসকল উপস্থিত থাকি সভাৰ সৌষ্ঠৱ বৃদ্ধি কৰে ।

# Assamese Department, Nonoi College.

**Freshman Social / 18th December, 2021**

## Photographs:




**Meeting of Freshman Social**



**Presented Flower Plant to fresher's by the Principal**